# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 23-10-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। রাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি কেৰালাৰ ৰাজভৱনত প্ৰাক্তন ৰাষ্ট্ৰপতি কে আৰ নাৰায়ণনৰ এটা আৱক্ষ প্ৰতিমূৰ্তি উন্মোচন কৰিব।

২। অৰ্থনৈতিক আৰু বাণিজ্যিক সহযোগিতা সুদৃঢ় কৰাৰ উদ্দেশ্যে বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেল আজি জাৰ্মানীলৈ যাব।

৩। বিহাৰ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় আৰু অন্তিম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ আজি অন্তিম দিন।

৪। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং তিনিদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ জয়ছলমেৰলৈ যাব। *আৰু*

৫। আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি বিয়লি নৱী মুম্বাইৰ ডি ৱাই পাটিল ষ্টেডিয়ামত ভাৰত নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

চাৰিদিনীয়া ভ্ৰমণসূচীৰে কেৰালালৈ যোৱা ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি কেৰালাৰ ৰাজভৱনত প্ৰাক্তন ৰাষ্ট্ৰপতি কে আৰ নাৰায়ণনৰ এটা আৱক্ষ প্ৰতিমূৰ্তিও উন্মোচন কৰিব। ইয়াৰ পাছত শ্ৰীমতী মুৰ্মুৱে তিৰুৱানন্তপুৰমৰ সমীপৰ ভাৰকলাত থকা শিৱগুৰি মঠত শ্ৰীনাৰায়ণা গুৰু সমাধিৰ শতবৰ্ষ উদযাপন কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। বিয়লিৰ ভাগলৈ ৰাষ্ট্ৰপতিগৰাকী পালাৰ ছেইণ্ট থমাছ কলেজৰ মহাৰজত জয়ন্তী উদযাপন কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। কালি শ্ৰীমুৰ্মুৱে সবৰীমালা মন্দিৰ দৰ্শন কৰে। ইয়াৰ পাছত তেওঁ কেৰালাৰ ৰাজ্যপালে আয়োজন কৰা এটা নৈশ ভোজতো অংশগ্ৰহণ কৰে।

ooooo

অৰ্থনৈতিক আৰু বাণিজ্যিক সহযোগিতা সুদৃঢ় কৰাৰ উদ্দেশ্যে বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেল আজি জাৰ্মানীলৈ যাব। ভাৰত-জাৰ্মানী কৌশলগত সহযোগিতাৰ ২৫ বছৰ সম্পূৰ্ণ হোৱাৰ সময়ত কৰা এই যাত্ৰাই জাৰ্মানীৰ সৈতে ভাৰতৰ সম্পৰ্ক অধিক শক্তিশালী কৰিব বুলি আশা কৰা হৈছে। এই ভ্ৰমণকালত শ্ৰীগোৱেলে জাৰ্মানীৰ শক্তি মন্ত্ৰী কেথৰিনা ৰীচেৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। এই বৈঠকত হ'বলগীয়া আলোচনাত ভাৰত আৰু জাৰ্মানীৰ মাজৰ অৰ্থনৈতিক সহযোগিতা অধিক সুদৃঢ় কৰাৰ লগতে বাণিজ্য আৰু বিনিয়োগ সহযোগিতা শক্তিশালী কৰাৰ বিষয়ে আলোচনা কৰা হ'ব। শ্ৰীগোৱেলে লগতে তৃতীয় বাৰ্লিন গোলকীয় আলোচনাত ভাগ ল'ব। ভ্ৰমণকালত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জাৰ্মান মিটেলষ্টেণ্ড কোম্পানীসমূহৰ মুখ্য কাৰ্য্যবাহী বিষয়াসকলৰ সৈতে হ'বলগীয়া ঘূৰণীয়া মেজমেলৰ অধ্যক্ষতা কৰিব। তেওঁ লগতে দ্বিপাক্ষিক বাণিজ্যিক সম্পৰ্ক সুদৃঢ় কৰাৰ বিষয় লৈ আলোচনা কৰাৰ উদ্দেশ্যে লুক্‌জেমবাৰ্গৰ উপ-প্ৰধানমন্ত্ৰী জেভিয়াৰ বেটেলৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব।

ooooo

বিহাৰ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় আৰু অন্তিম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ আজি অন্তিম দিন। ৰাজ্যখনৰ ২০ খন জিলাৰ ১২২ বিধানসভা সমষ্টিৰ বাবে ১১ নৱেম্বৰত ভোটগ্ৰহণ কৰা হ'ব। কাইমুৰ জিলাৰ মহানিয়া সমষ্টিৰ সংৰক্ষিত আসনখনৰ বাবে ৰাষ্ট্ৰীয় জনতা দলৰ প্ৰাৰ্থী শ্বেতা সুমনে দাখিল কৰা মনোনয়ন পত্ৰ ইতিমধ্যে বাতিল কৰা হৈছে। প্ৰাৰ্থীগৰাকীৰ অনুসূচীত জাতিৰ প্ৰমাণপত্ৰ বৈধ বিবেচিত নোহোৱাৰ পৰিপ্ৰেক্ষিততেই তেওঁৰ মনোনয়ন পত্ৰ বাতিল কৰা হয়। পশ্চিম চামপৰন জিলাৰ বাল্মিকী নগৰ বিধানসভা সমষ্টিৰ পৰা জন সূৰজ পাৰ্টিৰ প্ৰাৰ্থী দ্ৰিগ নাৰায়ণ প্ৰসাদে মনোনয়ন পত্ৰ দাখিলৰ পূৰ্বে চৰকাৰী শিক্ষক পদৰ পৰা অব্যাহতি নোলোৱাৰ বাবেই তেওঁৰ মনোনয়ন পত্ৰও বাতিল কৰা হৈছে। এই দুয়োটা সমষ্টিত দ্বিতীয় পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

দ্বিতীয় পৰ্যায়ত ৰাজ্যখনৰ সীতামাৰি, শ্বেঅ'হাৰ, মধুবানী, পূব চামপৰন আৰু পশ্চিম চামপৰন জিলাত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ইয়াৰ লগতে ৰোহতাছ আৰু কাইমুৰকে ধৰি শ্বাহবাদ অঞ্চলৰ কেইবাখনো জিলা আৰু মগধ অঞ্চল ঔৰঙ্গবাদ, নাৱাড়া, জেহানাবাদ আৰু আৰ'ৱালতো ভোটগ্ৰহণ কৰা হ'ব। একেটা পৰ্যায়তে আৰাৰিয়া, কিষাণগঞ্জ, পুৰ্নিয়া, কাটিহাৰ, ভাগলপুৰ, বাংকা, জামুই আৰু চুপই আদি ছিমাঞ্চলৰ জিলাসমূহতো ভোটগ্ৰহণ কৰা হ'ব।

00000

ভাৰতীয় নিৰ্বাচন আয়োগৰ উদ্যোগত দুদিনীয়াকৈ অনুষ্ঠিত হোৱা মুখ্য নিৰ্বাচনী বিষয়াৰ সন্মিলনত দেশজোৰা বিশেষ পুনৰীক্ষণ (SIR) অনুশীলনৰ বাবে সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্য কাৰ্যবাহী বিষয়াসকলৰ প্ৰস্তুতিৰ মূল্যায়ন কৰা হয়। নতুন দিল্লীত অনুষ্ঠিত এই সন্মিলনৰ সভাপতিত্ব কৰে মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে। বৈঠকত নিৰ্বাচন আয়ুক্ত ড° সুখবীৰ সিং সন্ধু আৰু ড° বিবেক যোশীয়েও অংশগ্ৰহণ কৰে।এই সন্মিলনত আয়োগে জিলা নিৰ্বাচনী বিষয়া, নিৰ্বাচনী পঞ্জীয়ন বিষয়া, সহকাৰী নিৰ্বাচনী পঞ্জীয়ন বিষয়া, বুথ পৰ্যায়ৰ বিষয়া আৰু বুথ পৰ্যায়ৰ এজেণ্টৰ নিযুক্তি আৰু প্ৰশিক্ষণ ব্যৱস্থাৰ পৰ্যালোচনা কৰে।

00000

সমগ্ৰ দেশতে আজি পৰম্পৰাগত ৰীতি-নীতিৰে ভাই দোজ পালন কৰা হৈছে। দীপাৱলীৰ পাছতেই পালন হোৱা এই উৎসৱ দেশৰ ভিন্ন প্ৰান্তত ভাইফোটা, ভাওবীজ, ভাইটীকা অথবা য়ামা দ্বিতীয়া আদি বিভিন্ন নামেৰে জনা যায়। এই উৎসৱে ভাতৃ-ভগ্নীৰ মাজৰ মৰম-স্নেহ বান্ধোন কটকটীয়া কৰে। আজিৰ এই পৱিত্ৰ দিনটোত ভগ্নীসকলে ভাতৃৰ কপালত তিলক আঁকি দীৰ্ঘায়ু কামনা কৰে।

00000

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং তিনিদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ জয়ছলমেৰলৈ যাব। তাত তেওঁ সেনা কামাণ্ডৰসকলৰ সন্মিলনত অংশগ্ৰহণ কৰিব। অপাৰেচন সিন্দূৰৰ পাছত মৰুভূমিৰ নগৰখনত প্ৰথমবাৰৰ বাবে এনে সন্মিলনৰ আয়োজন কৰা হৈছে। সামৰিক অভিযানসমূহৰ প্ৰস্তুতি আৰু ভৱিষ্যতৰ সুৰক্ষা প্ৰত্যাহ্বানসমূহৰ সন্দৰ্ভত পৰ্যালোচনা কৰাৰ উদ্দেশ্যে সেনাৰ শীৰ্ষ বিষয়াসকল একত্ৰিত হোৱাৰ সময়ত প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীৰ এই ভ্ৰমণে বিশেষ তাৎপৰ্য বহন কৰিছে। প্ৰতিৰক্ষা সূত্ৰসমূহে প্ৰকাশ কৰা অনুসৰি এই সন্মিলনত সেনাৰ মুৰববী আৰু শীৰ্ষ কামাণ্ডৰসকলে দেশৰ নিৰাপত্তাৰ বিভিন্ন দিশৰ লগতে আধুনিক যুদ্ধ কৌশল তথা প্ৰতিৰক্ষা অভিযাসমূহত ব্যৱহাৰ কৰিবলগীয়া আধুনিক প্ৰযুক্তি সন্দৰ্ভত বিতংভাৱে আলোচনা কৰিব। ভ্ৰমণৰ দ্বিতীয় দিনা প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে লংগেৱালা সীমান্ত ছাউনী পৰিদৰ্শন কৰিব

আৰু ১৯৭১ চনৰ ভাৰত-পাকিস্তান যুদ্ধৰ সময়ত ছহিদ হোৱা জোৱানসকলৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিব। তেওঁ লগতে সেনা যুদ্ধ সংগ্ৰহালয়ো পৰিদৰ্শন কৰিব। এই ভ্ৰমণৰ সময়তেই শ্ৰীসিঙে সৌৰ্য পাৰ্ক আৰু কেকটাছ পাৰ্ক ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰি সেনাবাহিনীৰ সাহস আৰু ঐতিহাসিক বীৰগাথা বৰ্ণনা কৰা শব্দ আৰু পোহৰ প্ৰদৰ্শনী মুকলি কৰিব।

ooooo

অপাৰেচন সিন্দুৰে দেশৰ জল, স্থল আৰু বায়ু এই তিনিওটা সেৱাৰ মাজৰ অসাধাৰণ সহযোগিতা আৰু একত্ৰীকৰণৰ সাক্ষী হৈছিল বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে উল্লেখ কৰে। পৰিৱৰ্তিত বিশ্ব ব্যৱস্থা আৰু যুদ্ধৰ বিকশিত পদ্ধতিৰপৰা উদ্ভৱ হোৱা প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰিবলৈ সমন্বিত আৰু প্ৰতিৰক্ষা কৌশল উদ্ভাৱন কৰাৰ চৰকাৰৰ সংকল্পকো অপাৰেচন সিন্দুৰে পুনৰ দৃঢ় কৰিছে। civil military fusion as a metric of national power and comprehensive security শীৰ্ষক লেফটেনেন্ট জেনেৰেল ৰাজ শুক্লাৰ দ্বাৰা ৰচিত গ্ৰন্থখনৰ উন্মোচনী অনুষ্ঠানত ভাষণ দি শ্ৰী সিঙে নতুন দিল্লীত কালি এইদৰে কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত চৰকাৰে ৰাষ্ট্ৰীয় নিৰাপত্তাৰ লগতে দেশৰ কৌশলগত স্বায়ত্ব শাসন নিশ্চিত কৰাৰ বাবে ভৱিষ্যতৰ বাবে সাজু সশস্ত্ৰ বাহিনী গঢ়ি তোলাৰ বাবে কেবাটাও সাহসী আৰু নিৰ্ণায়ক সংস্কাৰ হাতত লোৱা হৈছে বুলিও প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ভাষণ প্ৰসংগত তেওঁ কয় যে অসামৰিক- সামৰিক সংযোজন তেতিয়াহে সম্ভৱ যেতিয়া দেশৰ অসামৰিক উদ্যোগ,ব্যক্তিগত খণ্ড,শিক্ষাবিদ আৰু প্ৰতিৰক্ষা খণ্ডৰ মাজত এক উমৈহতীয়া ৰাষ্ট্ৰীয় উদ্দেশ্যৰ বাবে সমন্বয় স্থাপন কৰা হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঘোষণা কৰা আৰু যোৱা ২২ ছেপ্তেম্বৰৰ পৰা সমগ্ৰ দেশত ৰূপায়ণ হোৱা সামগ্ৰী আৰু সেৱা কৰ - জি এছ টি সঞ্চয় উৎসৱৰ পৰা সমাজৰ সকলো শ্ৰেণীৰ লোক উপকৃত হৈছে। চৰকাৰে জনসাধাৰণক সকাহ প্ৰদানৰ উদ্দেশ্যে স্বাস্থ্য সেৱা খণ্ডত আৰোপিত কৰ যথেষ্ট হ্ৰাস হৈছে। চৰকাৰে পৰৱৰ্তী প্ৰজন্মৰ জি এছ টি সংস্কাৰৰ অধীনত কৰ্কট আৰু পুৰণি ৰোগৰ চিকিৎসাত ব্যৱহৃত ৩৬ বিধ জীৱনৰক্ষী ঔষধৰ ওপৰত আৰোপিত কৰ সম্পূৰ্ণৰূপে প্ৰত্যাহাৰ কৰিছে। ইয়াৰ ফলত স্বাস্থ্য বীমা ধাৰকসকলৰ ব্যয় হ্ৰাস পাইছে আৰু সমগ্ৰ দেশত স্বাস্থ্য সেৱা গ্ৰহণ কৰা লোকৰ সংখ্যা বৃদ্ধি পাইছে। একেদৰে, জি এছ টি সংস্কাৰৰ অধীনত বেণ্ডেজ, ৰোগ চিনাক্তকৰণ সঁজুলি, গ্লুক'মিটাৰ আৰু থাৰ্মমিটাৰৰ লেখিয়া চিকিৎসা আহিলা-পাতি আৰু অত্যাৱশ্যকীয় ঔষধৰ ওপৰত আৰোপিত কৰ ১২ শতাংশৰ পৰা ৫ শতাংশলৈ কমোৱা হৈছে। ইয়াৰ উপৰি স্বাস্থ্য আৰু জীৱন বীমাৰ কিস্তিৰ ওপৰত আৰোপিত ১৮ শতাংশ কৰ সম্পূৰ্ণৰূপে প্ৰত্যাহাৰ কৰা হৈছে। স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত আৰোপিত কৰ হ্ৰাস কৰাৰ ফলত চিকিৎসা ব্যয় কমিছে আৰু ইয়াৰ পৰা মধ্যবিত্ত আৰু নিম্ন মধ্যবিত্ত পৰিয়ালৰ লোক লাভান্বিত হৈছে।

ooooo

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি বিয়লি নৱী মুম্বাইৰ ডি ৱাই পাটিল ষ্টেডিয়ামত ভাৰত নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি ৩ বজাত আৰম্ভ হ'ব। দুয়োটা দলে ২ পইণ্টৰ বাবে আজি আপ্ৰাণ চেষ্টা চলাব। আজিৰ খেলখনত পৰাজিত হোৱা দলটো প্ৰতিযোগিতাৰ পৰা বাহিৰ হ'ব।

ইপিনে কালি নিশা ইন্দোৰৰ হলকাৰ ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত অষ্ট্ৰেলিয়াই ইংলেণ্ডক ৬ উইকেটত পৰাজিত কৰে। খেলখনত ইংলেণ্ডে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ৫০ অভাৰত ৯ উইকেটৰ বিনিময়ত ২৪৪ ৰান কৰে। অপেনাৰ তাম্মী বিউমণ্টে সৰ্বাধিক ৭৮ ৰান কৰে। অষ্ট্ৰেলিয়াৰ এনাবেল ছুথাৰলেণ্ডে তিনিটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াই ৪০ অভাৰ আৰু ৩টা বলতেই ৪টা উইকেট হেৰুৱাই ২৪৮ ৰান কৰি অনায়াসে বিজয় সাব্যস্ত কৰে। দলৰ হৈ এনাবেল ছুথাৰলেণ্ডে সৰ্বাধিক ৯৮ ৰান কৰি অপৰাজিত হৈ থকাৰ লগতে এছলে গাৰ্ডনাৰে ৬৯টা বলত শতক সম্পূৰ্ণ কৰি অভিলেখ ৰচনা কৰে। এনাবেল ছুথাৰলেণ্ডক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়। যিহেতু দুয়োটা দলেই ইতিমধ্যে ছেমি ফাইনেলত স্থান নিশ্চিত কৰিছে সেয়েহে কালিৰ খেলখনৰ ফলাফল দুয়োটা দলৰ বাবে বিশেষ গুৰুত্ব বহন কৰা নাই।

ooooo

তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত আজি ভাৰত আয়োজক দেশ অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। এডিলেইডত হ’বলগীয়া এই খেলখন ভাৰতীয় সময় অনুসৰি পুৱা ৯ বজাত আৰম্ভ হ’ব। আজিৰ খেলখন ভাৰতৰ বাবে অত্যন্ত প্ৰত্যাহ্বানমূলক, যিহেতু এই খেলখনত পৰাজিত হ’লে ভাৰতে শৃংখলা হেৰুৱাব। তিনিখনীয়া এই শৃংখলাৰ পাৰ্থত অনুষ্ঠিত প্ৰথমখন খেলত অষ্ট্ৰেলিয়াই ৭ উইকেটত জয়লাভ কৰি ইতিমধ্যে ১-০ত অগ্ৰগতি লাভ কৰি আছে। খেলখনত অষ্ট্ৰেলিয়াই ২১ অভাৰ আৰু এটা বলতেই ভাৰতে নিৰ্ধাৰণ কৰি দিয়া ১৩১ ৰানৰ বিজয় লক্ষ্য সহজেই অতিক্ৰম কৰে। আজিৰ খেলখনত জয়লাভ কৰিলে অষ্ট্ৰেলিয়াই শৃংখলা নিজৰ হাতলৈ আনিবলৈ সমৰ্থ হ’ব। এদিনীয়া শৃংখলা শেষ হোৱাৰ পাছতে দুয়োটা দলে ৫ খন টি-২০ খেলতো অংশগ্ৰহণ কৰিব।

ooooo

সমাপ্ত